**NSD NEWS BULLETIN**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-09-2026
**Time :** 1340 Hrs.

***Assamese MIDDAY Bulletin***
**::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে কেন্দ্ৰই নিজৰ শাসন পদ্ধতি আৰু কৰ্ম সংস্কৃতিত সৰলীকৰণ শক্তিৰ নীতিক মূৰ্ত কৰি তুলিছে।
২। নতুন দিল্লীত আজি বহুখণ্ডীয় কাৰিকৰী আৰু অৰ্থনৈতিক সহযোগিতাৰ বাবে বিমষ্টেকৰ গৃহমন্ত্ৰীসকলৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হৈছে।
৩। ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই বেংকসমূহক উত্তৰ-পূবৰ উন্নয়নৰ বাবে দূৰণীবৰ্তীয়া অঞ্চলসমূহত সংযোগ সাধন কৰি সেৱা আগবঢ়াবলৈ আহ্বান জনাইছে।
৪। দিল্লী আৰক্ষীয়ে আজি যন্তৰ মন্তৰত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাৰ বাবে ককৰোছ জনতা পাৰ্টী, চি জে পিৰ নেতা সৌৰভ দাস আৰু আশুতোষ ৰাংকাক আটক কৰে। *আৰু*
৫। অডেনছেত আজি ডেনমাৰ্ক মুকলি বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে কেন্দ্ৰই নিজৰ শাসন পদ্ধতি আৰু কৰ্ম সংস্কৃতিত **সৰলীকৰণ শক্তিৰ** নীতিক মূৰ্ত কৰি তুলিছে। নতুন দিল্লীত অনুষ্ঠিত **ব্লুমবাৰ্গ নিউ ইকনমি ফ'ৰামত** ভাষণ দি মোদীয়ে কয় যে ভাৰতৰ অগ্ৰগতি সমগ্ৰিক বিকাশ আৰু ভাগ-বতৰা কৰা সুযোগৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁ কয়, ক্ষমতা কেৱল আগবাঢ়ি যোৱাৰ সামৰ্থই নহয়, ই আনক শক্তিশালী কৰাৰো সামৰ্থ্য আছে। তেওঁ কয় যে বৰ্তমান যুগত ডিজিটেল শক্তি এই ৰূপান্তৰৰ অন্যতম মূল চালিকা হিচাপে আত্মপ্ৰকাশ কৰিছে আৰু এই দৃষ্টিভংগীক আগুৱাই নিয়াত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয় যে ডিজিটেল শক্তিয়ে ভাৰতৰ বাবে অধিক সুযোগ মুকলি কৰিছে।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে একবিংশ শতিকাত প্ৰযুক্তি, তথ্য, জ্ঞান আৰু উদ্ভাৱন - শক্তিৰ গুৰুত্বপূৰ্ণ উৎস হৈ পৰিছে। তেওঁ কয়, ভাৰতৰ সামৰ্থ্যই যাতে আন দেশৰ বাবেও সুযোগৰ নতুন দুৱাৰ মুকলি কৰে, সেয়া নিশ্চিত কৰিবলৈ চৰকাৰে অহৰহ প্ৰচেষ্টা চলাই আছে। ভাৰত গণতন্ত্ৰৰ মাতৃ বুলি অভিহিত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ইয়াত ১০০ টাতকৈও অধিক ভাষা, প্ৰায় ৮০ হাজাৰ পঞ্জীয়নভুক্ত বাতৰি কাকত আৰু প্ৰকাশন, আৰু এক হাজাৰতকৈ অধিক উপগ্ৰহীয় টেলিভিছন চেনেল আছে। শ্ৰীমোদীয়ে ভাৰতে বিগত দশকত পঁচিশ কোটি লোকক দৰিদ্ৰতাৰ পৰা মুক্ত কৰাৰ কথা প্ৰকাশ কৰে।

(বাইট)

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয় যে ২০১৪ চনৰ পৰা ভাৰতৰ ষ্টাৰ্টআপ ইক'চিষ্টেম যথেষ্ট সম্প্ৰসাৰিত হৈছে, ষ্টাৰ্টআপৰ সংখ্যাই দুই লাখ পঞ্চাশ হাজাৰ অতিক্ৰম কৰিছে। তেওঁ কয় যে এই ষ্টাৰ্টআপসমূহৰ প্ৰায় আধা অংশ সৰু সৰু চহৰ আৰু নগৰৰ যুৱক-যুৱতীসকলে গঢ়ি তুলিছে। আনহাতে ৪৫ শতাংশতকৈও অধিক ষ্টাৰ্টআপত অন্ততঃ এগৰাকী মহিলা পৰিচালক বা অংশীদাৰ আছে।

০০০০

বহুখণ্ডীয় কাৰিকৰী আৰু অৰ্থনৈতিক সহযোগিতাৰ বাবে প্ৰথমখন বে অফ বেংগল ইনিচিয়েটিভ, বিমষ্টেকৰ গৃহমন্ত্ৰীসকলৰ প্ৰথমখন বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হৈছে। ভাৰতে আয়োজন কৰা এই বৈঠকত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে এই বৈঠকৰ জৰিয়তে সন্ত্ৰাসবাদ, আন্তঃৰাষ্ট্ৰীয় সংগঠিত অপৰাধ, নিচাযুক্ত দ্ৰব্যৰ উগ্ৰবাদ আৰু সৰবৰাহৰ, অবৈধ বিত্তীয় প্ৰবাহ, আৰু চাইবাৰ ভাবুকিৰ বিৰুদ্ধে যুঁজ দিয়াৰ উমৈহতীয়া সংকল্পৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ উল্লেখ কৰে যে ৰাষ্ট্ৰসমূহে নিৰ্ণায়ক সমন্বয়ৰ মাধ্যমেৰে অধিক সুৰক্ষিত, শক্তিশালী আৰু অধিক নিৰাপদ বিমষ্টেক অঞ্চল গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ হৈ আছে।

বিমষ্টেক হৈছে বংগোপসাগৰ আৰু ইয়াৰ আশে-পাশে থকা দেশসমূহৰ মাজত অৰ্থনৈতিক আৰু কাৰিকৰী সহযোগিতা বৃদ্ধিৰ বাবে ১৯৯৭ চনত স্থাপন কৰা এটা আঞ্চলিক সংস্থা। সাতখন সদস্য ৰাষ্ট্ৰ যেনে - বাংলাদেশ, ভূটান, ভাৰত, ম্যানমাৰ, নেপাল, শ্ৰীলংকা আৰু থাইলেণ্ড এই গোটটো গঠিত হৈছে। ইয়াৰ লক্ষ্য হৈছে বংগোপসাগৰৰ ওচৰ-চুবুৰীয়া দেশসমূহৰ মাজত অৰ্থনৈতিক আৰু কাৰিকৰী সহযোগিতা বৃদ্ধি কৰা।

০০০০

ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই বেংকসমূহক উত্তৰ-পূবৰ উন্নয়নৰ বাবে দূৰণীবতীয়া অঞ্চলসমূহত সংযোগ সাধন কৰি সেৱা আগবঢ়াবলৈ আহ্বান জনাইছে। আইজলৰ মিজোৰাম বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত উত্তৰ-পূৰ্বাঞ্চলৰ বেংক বিষয়াৰ তৃতীয় অভিৱৰ্তনত দিয়া ভাষণত শ্ৰীসিন্ধিয়াই কয় যে দেশৰ বিকাশৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াব পৰাকৈ উত্তৰ-পূৰ্বাঞ্চলৰ অপৰিসীম সম্ভাৱনা আছে। সেয়েহে অঞ্চলটোৰ স্থানীয় লোকসকলৰ হিতৰ বাবে সেৱা আগবঢ়াবলৈ তেওঁ বেংকসমূহক আহ্বান জনায়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয়স চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে ভালেমান পদক্ষেপ লৈছে। মিজোৰামত সাক্ষৰতাৰ হাৰ প্ৰায় ১০০ শতাংশ হোৱাৰ বাবে প্ৰশংসা কৰি তেওঁ কয় যে ৰাজ্যখনৰ প্ৰাকৃতিক সৌন্দৰ্য, অনুকূল জলবায়ু আৰু পৰিৱেশে পৰ্যটকসকলক আকৰ্ষণ কৰি আহিছে। মিজোৰামৰ উন্নয়নৰ ক্ষেত্ৰত চাইৰাঙলৈ ৰে'ল সেৱাৰ সম্প্ৰসাৰণ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অভিহিত হৈছে। বৈৰবী-চাইৰাং ৰে'ল পথছোৱাই যাত্ৰা সুচল কৰি তোলাৰ লগতে দেশৰ অন্যান্য প্ৰান্তৰ লগতে যোগাযোগ উন্নত কৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০

অসম চৰকাৰে উজনি অসমৰ তিনিখন জিলাৰ বান ক্ষতিগ্ৰস্ত ৫৭ হাজাৰ পৰিয়ালক ক্ষতিপূৰণ আদায় দিয়াৰ বাবে জৰীপ সম্পন্ন কৰিছে। এই পৰিয়ালসমূহক এহেজাৰ ১০০ কোটি টকাৰ বান সাহাৰ্য প্ৰদানৰ বাবে তিনিটা পৰ্যায়ত জৰীপ সম্পূৰ্ণ কৰা হৈছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদমাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে অতি সোনকালে ৰাজ্য চৰকাৰে বান ক্ষতিগ্ৰস্তক সাহায্য প্ৰদানৰ বাবে কেন্দ্ৰৰ পৰা সাহায্য বিচাৰি চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে উজনি অসমৰ বান ক্ষতিগ্ৰস্ত লোকসকলক লৈ ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে ৰাজনীতি কৰা বুলি অভিযোগ কৰে।

০০০০

দিল্লী আৰক্ষীয়ে আজি যন্তৰ মন্তৰত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰাৰ বাবে ককৰোছ জনতা পাৰ্টী, চি জে পিৰ নেতা সৌৰভ দাস আৰু আশুতোষ ৰাংকাক আটক কৰে। আৰক্ষীয়ে কালি প্ৰতিবাদস্থলী হিচাপে যন্তৰ মন্তৰক ব্যৱহাৰত বাধা আৰোপ কৰিছিল। ইয়াৰ বিপৰীতে ৰামলীলা ময়দান, বুৰাৰি ময়দান আৰু চি বি ডি খেলপথাৰক নতুন প্ৰতিবাদস্থলী হিচাপে চিহ্নিত কৰিছে।

০০০০

শাৰদীয় নৱৰাত্ৰিৰ আজি তৃতীয় দিনা দেৱীক চন্দ্ৰঘণ্টা ৰূপত পূজা কৰা হৈছে। সাহস, মানসিক শক্তি, শান্তি আৰু ৰূপ-লাৱন্যৰ অধিষ্ঠাত্ৰী দেৱী চন্দ্ৰঘণ্টাৰ পূজা দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাজ্যৰ প্ৰাচীন দৌল-দেৱালয়সমূহত যথাবিহিত ৰীতি-নীতিৰে সম্পন্ন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৱৰাত্ৰিৰ তৃতীয় দিনা জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে সাহস, শান্তি আৰু স্বৰ্গীয় শক্তিৰ প্ৰতীক দেৱী চন্দ্ৰঘণ্টাৰ পূজা উপলক্ষে সকলোৰে জীৱন সুখ-সমৃদ্ধি আৰু সফলতাৰে ভৰি পৰিব বুলি আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে কালি নৱৰাত্ৰিৰ দ্বিতীয় দিনটোত দেৱীক ব্ৰহ্মচাৰিণীৰ ৰূপত আৰাধনা কৰা হয়। কাইলৈ দেৱীৰ কুষ্মাণ্ডা ৰূপৰ পূজা কৰা হ'ব। ইয়াৰ পাছত স্কন্দমাতা আৰু কাত্যায়নী ৰূপত শক্তিৰূপিনী মা দুৰ্গাৰ পূজা কৰা হ'ব। আনহাতে পৰহিলৈ ষষ্ঠীৰ সন্ধিয়া দেৱীক, বেদীত প্ৰতিষ্ঠা কৰা হ'ব। সপ্তমীত কালৰাত্ৰি, মহাষ্টমীত মহাগৌৰী আৰু মহা নৱমীত সিদ্ধিদাত্ৰীৰ ৰূপত দেৱী দুৰ্গাক পূজা কৰাৰ পাছত দশমীত দেৱীক বিসৰ্জন দিয়া হ'ব। ধৰ্মীয় বিশ্বাস অনুসৰি এইবাৰ দেৱীয়ে ঘোঁৰাত আগমন কৰিছে আৰু নৌকাৰে গমন কৰিব।

০০০০

কানাডাৰ বিদেশ মন্ত্ৰী অনিতা আনন্দ দুদিনীয়া ভ্ৰমণসূচীলৈ আজি নতুন দিল্লীলৈ আহিব। এই ভ্ৰমণকালত তেঁও বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্‌ জয়শংকৰৰ লগতে দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্ত চৌধুৰীক সাক্ষাৎ কৰিব। ভাৰতত নিয়োজিত কানাডাৰ উচ্চায়ুক্ত খ্ৰিষ্টফাৰ কুটাৰে কয়, যে কানাডাই ভাৰতৰ সৈতে প্ৰস্তাৱিত মুক্ত বাণিজ্য চুক্তিৰ লগতে বিনিয়োগ বৃদ্ধি আৰু দুয়োদেশৰ জনসাধাৰণৰ মাজত যোগাযোগ বৃদ্ধিৰ বিষয়টোত গুৰুত্ব দিব। তেওঁ কয়, যে দুয়োখন দেশৰ মাজত পৰ্যটনেও বিকাশৰ পথত গুৰুত্বপূৰ্ণ ভূমিকা লব পাৰে।

০০০০

পুনৰ ভয়াবহ বানৰ কবলত পৰা পাৰ্বত্য দেশ নেপালত এশৰো অধিক বিদেশী ভ্ৰমণকাৰী বিভিন্ন স্থানত আবদ্ধ হৈ আছে। প্ৰশাসনে ১২ গৰাকী বিদেশীকে ধৰি ৩২১ গৰাকী লোকক উদ্ধাৰ কৰিছে। কাঠমাণ্ডুৰ পৰা প্ৰায় এশ কিলোমিটাৰ পশ্চিমে গোৰ্খা জিলাত হোৱা ভয়ংকৰ ভূমিস্খলনত বোধি গণ্ডকি নদীৰ পানী আৱদ্ধ হৈ পৰাৰ পাছতে নামনি অঞ্চল বানৰ কবলত পৰে। দেশখনৰ সেনাবাহিনীয়ে প্ৰকাশ কৰা অনুসৰি উদ্ধাৰ অভিযান কাইলৈ অব্যাহত থাকিব।

০০০০

অডেনছেত আজি ডেনমাৰ্ক মুকলি বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব। ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধুৱে আজি মহিলাৰ ছিংগলছত দক্ষিণ কোৰিয়াৰ আন ছে - য়ঙৰ বিৰুদ্ধে খেলিব। আনহাতে, তনভি শৰ্মা জাপানৰ নাটচুকি নিডাইৰাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতৰ অস্মিতা চলিহা, দেৱীকা ছিহাগ আৰু উন্নতি হুদা তেওঁলোকৰ প্ৰিকোৱাৰ্টাৰ খেলত কাইলৈ অৱতীৰ্ণ হ'ব। ইপিনে পুৰুষৰ ছিংগলছত লক্ষ্য সেন আৰু কিদাম্বি শ্ৰীকান্ত আজি নিজৰ নিজৰ খেলত অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত